লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰী চৰিত্ৰঃ এটি বিশ্লেষণ
## ['মামৰে ধৰা তৰোৱাল' উপন্যাসৰ উল্লেখনেৰে]

কণিমা পাঠক

**আৰম্ভণি**

মামণি ৰয়ছম গোস্বামীৰ শ্ৰেষ্ঠ উপন্যাস কেইখনৰ ভিতৰত 'মামৰে ধৰা তৰোৱাল' অন্যতম । এই উপন্যাসখনৰ বাবে তেওঁ ১৯৮২ চনৰ সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল । এই একেখন উপন্যাসৰ বাবে ঔপন্যাসিক গোস্বামীয়ে ২০০০ চনত ভাৰত চৰকাৰৰ পৰা জ্ঞানপীঠ বটাঁৰেও সন্মানিত হৈছিল । তেওঁ প্ৰথম গৰাকী জ্ঞানপীঠ বটাঁ বিজয়ী অসমীয়া মহিলা ঔপন্যাসিক। এই উপন্যাস খনৰ বাবে যিহেতু তেওঁ অধিক জনপ্ৰিয় হৈছে; গতিকে এই উপন্যাসখনক তেওঁৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি ক'ব পাৰি ।

বাস্তব জীৱনৰ অভিজ্ঞতাক বৈচিত্ৰময় বিষয়বস্তুৰে বিস্তৃত পটভূমিত ৰচিত তেওঁৰ অন্যান্য উপন্যাস কৃতিসমূহ ক্ৰমে এনেধৰণৰ 'চেনাবৰ সোঁত' [১৯৭২], 'নীলকণ্ঠী ব্ৰজ' [১৯৭৬], 'অহিৰণ' [১৯৮০], 'মামৰে ধৰা তৰোৱাল' [১৯৮০], 'বুদ্ধসাগৰ ধূসৰ গইসা আৰু মহম্মদ মুছা' [মামৰে ধৰা তৰোৱালৰ অন্তৰ্গত], 'দঁতাল হাতীৰ উঁয়ে-খোৱা হাওদা' [১৯৮৮], 'আধালেখা দস্তাবেজ' [আত্মজীৱনীমূলক, ১৯৮৮], 'সংস্কাৰ উদয়ভানুৰ চৰিত্ৰ' [তিনিখন উপন্যাস সংগ্ৰহ, ১৯৮৯], 'জখমী যাত্ৰী' [১৯৯০], 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' [চাৰিখন উপন্যাস আৰু দুটা গল্পৰ সংগ্ৰহ] । ইয়াৰ লগতে মামণি ৰয়ছম গোস্বামীয়ে মালায়ালম ভাষাৰ উপন্যাস 'Ananazhikaneram' ক 'আধা ঘণ্টা সময়' [১৯৭৮] নামেৰে অনুবাদ কৰিছিল ।

**বিষয়ৰ এক চমু আভাস**

'মামৰে ধৰা তৰোৱাল' উপন্যাসখনৰ পটভূমিৰ কথা ঔপন্যাসিকাই নিজে উপন্যাসখনৰ আৰম্ভণিতে উল্লেখ কৰিছে । উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত একুৱাডাক্ট বন্ধাৰ সময়ত ঔপন্যাসিকাই ৱাক ছাইটত [অস্থায়ী শিবিৰ] থকাৰ সুযোগ পাইছিল। শ্ৰমিকসকল আৰু তেওঁলোকে কৰা ধৰ্মঘটৰ পটভূমিত উপন্যাসখন ৰচনা কৰা হৈছে । শ্ৰমিক নেতাসকলৰ মাজত থকা একতা, দূৰদৃষ্টি, ত্যাগৰ অভাৱৰ বাবে ধৰ্মঘটটোৱে কেনেধৰণৰ ৰূপ লৈছিল, নেতাসকলৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰা লোকেল লীডাৰ সকলে কিদৰে ধৰ্মঘট ছাৰখাৰ কৰিছিল তথা ইয়াৰ শ্ৰমিকসকলৰ কাহিনী উপন্যাসখনত সুন্দৰভাৱে ৰূপায়িত হৈছে ।

১৯৭৮ চনত ৰায়বেৰেলীত একুৱাডাক্ট নিমাৰ্ণ অৰ্থাৎ উত্তৰপ্ৰদেশ ৰাজ্যৰ উত্তৰ পশ্চিম দিশৰ পৰা প্ৰৱাহিত গংগা নদীৰপৰা ফাটি যোৱা সাই নদী [ইয়াৰ বাসিন্দাসকলে এই নদীক পবিত্ৰ জ্ঞান কৰে]

ত কৃষিভূমিৰ উপযোগী ৰূপে ব্যৱহাৰ কৰিব পৰাকৈ নদীৰ পানী নিয়ন্ত্রিত ৰূপত প্রৱাহিত কৰাৰ উদ্দেশ্যে চৰকাৰে একুৱাডাক্ট নির্মাণ কৰিবলৈ ডানকান কনষ্ট্রাকচন কোম্পানীক দায়িত্ব দিছিল । নদীৰ পাৰত কোম্পানীয়ে স্থাপন কৰা অস্থায়ী শিবিৰসমূহ, শ্রমিকসকল, নদীৰ পাৰ, কাঁইটীয়া বাবুল গছৰ জংঘল, কনষ্ট্রাকচনৰ কামত ব্যৱহাৰ হোৱা ক্রেইন, প্রকাণ্ড প্রকাণ্ড যন্ত্র-পাতি, মদৰ ঘাটি ইত্যাদিৰ বর্ণনাই উপন্যাসখনক ৰসাল কৰি তুলিছে । ৰায়বেৰেলী জিলাৰ কনষ্ট্রাকচন শিবিৰৰ কাষৰীয়া গাওঁ, চহৰসমূহ যেনে–বেহটা, বাৰাণসী, মুন্সীগঞ্জ, ৰণপুৰ, ভেটাগাঁও, হুছেনগঞ্জ, জগদীশপুৰ, মঘাই পুলিচ ষ্টেচন, গোমতী আদি ঠাইসমূহৰ বিষয়েও কাহিনীৰ মাজত পোৱা যায় । ড. জাহ্নৱী দেৱীৰ মতে “উপন্যাসৰ কাহিনীৰ বাবে পটভূমি ৰূপে ৰায়বেৰেলী অপৰিহার্য নহয় । ৰায়বেৰেলী নহৈ উত্তৰ ভাৰতৰ যিকোনো গ্রীষ্মপ্রধান ৰাজ্যৰ আন কোনো একুৱাডাক্ট নির্মাণৰ এটি অস্থায়ী শিবিৰৰ পটভূমিত এই কাহিনী সংস্থাপিত কৰিলেও কাহিনীৰ বিশেষ হানি বিঘিনি নঘটিলহেঁতেন।” [জাহ্নৱী দেৱী, উপন্যাস অধ্যয়ন, পৃ-১৮২] কাৰণ শিবিৰৰ দাঁতি কাষৰীয়া গাঁও চহৰসমূহৰ স্থানীয় বাসিন্দাসকলৰ সামাজিক, ভাষিক, সাংস্কৃতিক, আর্থিক আদি কোনো বিশেষত্বই উপন্যাসখনত কাহিনীৰ আৱৰ্তলৈ অহা নাই ।

উপন্যাসখনৰ কাহিনীৰ পটভূমি নির্মাণত ঔপন্যাসিকাই আৰম্ভণিৰ পৰাই নায়ক হিচাপে অনুমান কৰিব পৰা যশোৱন্তৰ মনৰ অৱস্থা, আন্দোলন আৰু পৰিৱেশৰ বর্ণনা ইত্যাদি কথা সুন্দৰকৈ প্রকাশ কৰিছে। উপন্যাসখনৰ প্রথম পৃষ্ঠাতে ইয়াৰ পটভূমি তথা কাহিনীৰ উমান পাব পাৰি। এইদৰে-

১] “ৰায়বেৰেলী । ১৯৭৮ চনৰ আহিন মাহ । ইউনিয়নৰ নতুন লীডাৰ যশোৱন্তই চাটাৰিং প্লেটৰ দম এটিৰ ওপৰত বহি আছিল । তাৰ সন্মুখনত সৌৱা নদী । - - - দূৰৈৰ পৰা সিহঁতক শান্তিৰেই বাস কৰা যেন দেখা গৈছে ।” [পৃ–১]

২] “তোৰ নিজস্ব কোনো আৰু সত্ত্বা নাই...মনত ৰাখিবি...”...ঝন্ / ঝন্/ ঝন্// এটা প্রচণ্ড শব্দত যশোৱন্তৰ চমক ভাঙিল। UGC ৰ আকৃতিৰ ক্রেইনৰ ‘ষ্টিল পেডেষ্টল’ এটা এঠাইৰ পৰা আন এঠাইত থোৱাৰ শব্দ শুনা গ’ল ।” [পৃ–১]

-যশোৱন্তৰ মনৰ অৱস্থা, কাহিনীৰ গতিত উন্মোচিত হ’ব লগা পৰিৱেশ, ঝন্ ঝন্ আদি অনুকাৰ শব্দ আৰু যন্ত্রচালিত কর্কশ শব্দই উপন্যাস খনত কঠিন পৰিস্থিতিৰ উমান দিছে বুলি ক’ব পাৰি ।

এই উপন্যাসখনৰ বিষয়বস্তু ঔপন্যাসিকাৰ বাস্তৱ জীৱনৰ ভিত্তিত সংগৃহীত । ইয়াৰ বিষয়বস্তু সম্পর্কত ঔপন্যাসিকে উপন্যাসখনৰ পাতনিত সুন্দৰভাৱে উল্লেখ কৰিছে-

“১৯৭৯ চনৰ উত্তৰ প্রদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত বন্ধা একুৱাডাক্টৰ শ্রমিকসকলৰ আন্দোলন এটাক কেন্দ্র কৰি এই উপন্যাস ৰচনা কৰা হৈছে । দূৰদর্শিতা আৰু আত্মত্যাগৰ অভাৱত কেনেদৰে এই আন্দোলন ধূলিসাৎ হৈ গ’ল সেই কাহিনীকেই এই উপন্যাসৰ মাজত আঁকি দেখুওৱা হৈছে ।” [পাতনি, ১]

উপন্যাসখনত প্ৰাইভেট কোম্পানীসমূহে শ্ৰমিকসকলৰ প্ৰতি কৰা অন্যায়, অবিচাৰৰ কাহিনী অতি সজীৱ ৰূপত ফুটি উঠিছে । উত্তৰ প্ৰদেশৰ ৰায়বেৰেলী জিলাৰ সাই নদীৰ ওপৰত একুৱাডাক্ট নিৰ্মাণ কৰা ডানকান কোম্পানীৰ মেনেজাৰ, চাহাবসকলে হৰিজন শ্ৰমিকসকলক কৰা নিৰ্মম বঞ্চনাৰ বাস্তৱ ছবি এখন ঔপন্যাসিকে সুন্দৰকৈ অংকন কৰিছে । উপন্যাসখনৰ কাহিনীত পোৱা যায় যে ডানকান কনষ্ট্ৰাক্‌চনে কোম্পানীৰ হৈ সাই একুৱাডাক্টৰ কাম কৰা ষ্টাফ আৰু তাৰ শ্ৰমিকসকলে 'সেৱা আৰু নিৰাপত্তা' [ছিকুৰিটি অফ ছাৰ্ভিছ] ৰ বাবে যুঁজ দি আহিছে । শ্ৰমিকসকলে এই সম্পৰ্কে কেন্দ্ৰীয় আৰু ৰাজ্যৰ মন্ত্ৰী-বিষয়াৰ লগত সাক্ষাৎ কৰিও কোনো সমাধান পোৱা নাছিল । কুৰি বছৰ ধৰি কোম্পানীত কাম কৰা শ্ৰমিকেও কোম্পানীৰ পৰা নায্য অধিকাৰ পাবলৈ সক্ষম হোৱা নাছিল । কোম্পানীৰ কাম শেষ হ'লেই শ্ৰমিকসকলক চাটাই [বৰ্খাস্ত] কৰি দিয়া হৈছিল । শ্ৰমিক সকলে প্ৰাপ্য মজুৰি আৰু তেওঁলোকৰ নূন্যতম অধিকাৰখিনিৰ পৰাও বঞ্চিত হ'ব লগা হৈছিল । ঠিকাদাৰৰ তলত কাম কৰা শ্ৰমিকসকল শোষিত, নিষ্পেষিত জীৱনৰ যন্ত্ৰণা, তেওঁলোকক কৰা চলনা-প্ৰতাৰণাৰ বাবে তেওঁলোকৰ জীৱনলৈ নামি অহা দৰিদ্ৰতা আৰু লাঞ্ছনা-বঞ্চনাই উপন্যাসখনৰ মূল বিষয়বস্তু বুলি ক'ব পাৰি ।

উপন্যাসখনত ঠিকাদাৰ, চাহাব, ঠাকুৰ শ্ৰেণীটোৱে শ্ৰমিকসকলক কৰা প্ৰতাৰণা আৰু শ্ৰমিকসকলৰ সেই ঠিকাদাৰ-চাহাব শ্ৰেণীটোৰ প্ৰতি থকা ক্ষোভ, ক্ৰোধ সুন্দৰকৈ প্ৰকাশ পাইছে ।

শ্ৰমিকসকলে নিজৰ অধিকাৰ প্ৰাপ্তিৰ বাবে ধৰ্মঘট কৰিবলৈ ঠিৰাং কৰিছিল । ধৰ্মঘট কৰিবলৈ উচটনি দিয়া নেতাৰ অভাৱ নাছিল । কিন্তু প্ৰকৃত অৰ্থত কাম কৰা সৎ নেতাৰহে অভাৱ আছিল । তেনে কু-বুদ্ধি সম্পন্ন চতুৰ নেতা হৈছে- হৰিজন শ্ৰমিকসকলৰ লোকেল লীডাৰ শাস্ত্ৰী । ধৰ্মঘট আৰম্ভ হোৱাৰ ফলত শ্ৰমিকসকলৰ কাম বন্ধ হৈ উপাৰ্জনৰ পথ নোহোৱা হৈছিল । সেয়ে শ্ৰমিকসকলৰ জীৱন ক্ৰমে অধিক শোচনীয় হৈ পৰিছিল । বিশেষকৈ ধৰ্মঘটত অংশগ্ৰহণ কৰা শ্ৰমিকসকলৰ জীৱন অধিক ভয়াৱহ হৈছিল । ইউনিয়নৰ নেতাসকলে প্ৰতিশ্ৰুতি দিয়া মতে শ্ৰমিকসকলক ৰোজগাৰ দিয়াত ব্যৰ্থ হৈছিল । ঔপন্যাসিকৰ ভাষাত শ্ৰমিকসকলৰ অৱস্থা এনেধৰণৰ হৈছিল-

> "ভোকৰ জ্বালাত খালাচী লংগৰত ছুইপাৰ বেৰেকৰ ল'ৰা-ছোৱালীমখাই ৰুটীৰ কাৰণে কুকুৰৰ লগত দবৰা–দবৰি লগাইছে, মুন্সীগঞ্জৰ কছাইৰ দোকানৰপৰা ছাগলীৰ ভুৰু, ছাল কিছুমান আনি ছুইপাৰৰ ল'ৰা-ছোৱালী এজাকে সাইৰ বুকুত দবৰা–দবৰি লগাইছে, সাইৰ বুকুত বাহ লোৱা শগুণজাক আৰু সিহঁতৰ মাজত এই মুহুৰ্তত আৰু যেন কোনো পাৰ্থক্য নাই ।" [পৃ–৪২]

উপন্যাসখনত মুখ্য নাৰী চৰিত্ৰ নাৰায়ণীয়ে পেটৰ তাড়নাত, অসুস্থ স্বামীৰ বাবে আৰু কেঁচুৱাক গাখীৰ খুওৱাৰ খৰচ উলিয়াবলৈ টকাৰ বাবে ঠাকুৰ চাহাবৰ ওচৰত নিজৰ দেহ পৰ্যন্ত বিক্ৰী কৰিছিল । নাৰায়ণীৰ দুখ-যন্ত্ৰণা আৰু শৰীৰৰ বৰ্ণনা ঔপন্যাসিকাই এনেদৰে দিছে-

“উন্মুক্ত চুলি । মলিয়ন শাৰী, কোলাত অস্থিপুঞ্জ স্বৰূপ এই শিশুটি লৈ যেতিয়া তাই সাই নদীৰ পাৰে পাৰে ফুৰে, ‘খালাচী লংগৰ’ত খাই বৈ নোদোকা হোৰা কুকুৰ জাকে ভুকিব ধৰে ।” [পৃ–৫৫]

একেদৰে উপন্যাসখনৰ আন আন চৰিত্ৰ যেনে- বসুমতী বুঢ়ী, শিবু ধাছ্‌লা, লিচু লেঙেৰা আদিৰ জৰিয়তে ধৰ্মঘটে কোঙা কৰা বাস্তৱ জীৱনৰ ভয়াবহতাৰ ছবি সুন্দৰকৈ ফুটি উঠিছে।

শ্ৰমিকসকলৰ অদূৰদৰ্শিতা, ভণ্ডামি, দায়িত্বহীনতাৰ বাবে ধৰ্মঘটটো বিফল হৈ পৰিছিল। তদুপৰি দুষ্ট প্ৰকৃতিৰ নেতাসকলে কিদৰে শ্ৰমিকসকলৰ পেটৰ ভাত মুঠিৰে [ইউনিয়নৰ ফাণ্ডৰ টকাৰে] কেৱল মদ-মাংস খাই বিলাসিতাৰ জীৱন যাপন কৰিছিল, সেই কথা উপন্যাসখনৰ এটা চৰিত্ৰ মুন্সীগঞ্জৰ গাঁওবুঢ়াৰ কথাৰ পৰা জানিব পাৰি-

“–তহঁতে ধৰ্মঘট কৰিছ । ল’ৰা তিৰোতা ভোকত আছে । আমাৰ কৃষক সকলৰ খোৰা পাততো চকু দিছ । আৰু নিজে মদ খাইছ । এই মন লৈ তহঁতে কিবা মহৎ কাম কৰিব পাৰিবিনে ? ---তহঁত এটাৰো মনত ত্যাগৰ বীজ মন্ত্ৰ নাই । --- কেনেকৈ কৰিবি মহৎ কাম তহঁতে?” [পৃ–৫৫]

উপন্যাসখনত শ্ৰমিক নেতা লোকেল লীডাৰ শাস্ত্ৰী দুষ্ট, কুবুদ্ধি আৰু চতুৰ নেতা আছিল। অৱশ্যে তাৰ বিপৰীতে শ্ৰমিকসকলক সহানুভূতিৰে চোৱা ভাল নেতাও আছিল । তেনে এটা চৰিত্ৰ হ’ল হৰিজনসকলৰ প্ৰতিনিধি মজদুৰ ইউনিয়নৰ মেম্বাৰ যশোৱন্ত । শ্ৰমিকৰ প্ৰতি সহানুভূতি থকা স্বত্বেও যশোৱন্তই পৰিস্থিতিৰ দাস হৈ একো কৰিব পৰা নাছিল । লোকেল লীডাৰ শাস্ত্ৰীৰ ঠগ-প্ৰৱঞ্চনাৰ কথা গম পাই দুবছৰৰ পাছত হ’লেও প্ৰতিশোধ স্বৰূপে শাস্ত্ৰীক হত্যা কৰিছিল। পেটৰ তাড়নাত অসুস্থ স্বামী আৰু কেচুঁৱাৰ বাবে নাৰায়ণীয়ে চাহাবৰ ওচৰত নিজৰ দেহ বিক্ৰী কৰিলেও ঠগ-প্ৰৱঞ্চনা কৰাৰ বাবে শেষত গিৰীয়েক শিবু ধাছ্‌লাৰ সহযোগত চাহাবক হত্যা কৰিছিল । মুঠতে উপন্যাসখনত মানৱীয় চৰিত্ৰসমূহৰ স্খলন আৰু অৱক্ষয়, নিম্ন বৰ্গীয় মানুহৰ দুখ-বেদনা, অন্যায়-অবিচাৰ, নিদাৰুণ জীৱন সংগ্ৰাম সজীৱতাৰে ঔপন্যাসিকে অংকন কৰিছে । লোকেল লীডাৰ শাস্ত্ৰীৰ দৰে নেতাই শ্ৰমিকসকলক কৰা বিশ্বাসঘাটকতা আৰু অকৰ্মণ্যতাৰ বাবে ধৰ্মঘটটো বিফল হৈছিল, সেয়েহে শাস্ত্ৰীৰ এই ক্ৰুৰতা তথা বিশ্বাসঘাটকতা যেন মামৰ লগা বা চোক বিহীন তৰোৱাল [অস্ত্ৰ] হৈ কৰ্মত বিফলতা আনি দিছিল । উপন্যাসখনৰ নামকৰণৰ সাৰ্থকতাও ইয়াতে সুন্দৰকৈ প্ৰস্ফুটিত হৈছে ।

**উপন্যাসখনৰ নাৰী চৰিত্ৰ বিশ্লেষণ**

উপন্যাসখনৰ চৰিত্ৰসমূহক মূখ্য আৰু গৌণ চৰিত্ৰ হিচাপে দুটা ভাগত ভাগ কৰিব পাৰি । নাৰায়ণী আৰু যশোৱন্তক মুখ্য চৰিত্ৰ বুলি ক’ব পাৰি, কিন্তু নায়ক নায়িকা বুলি ক’ব নোৱাৰি । উপন্যাসখনৰ মহিলা চৰিত্ৰসমূহৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

উপন্যাসখনৰ মূখ্য নাৰী চৰিত্ৰ হ’ল নাৰায়ণী । এই চৰিত্ৰটো গতিশীল চৰিত্ৰ। সংঘাত ভৰা শ্ৰমিক জীৱনৰ প্ৰতিনিধি তথা শ্ৰমিক জীৱনৰ আটাইবোৰ আশা-প্ৰত্যাশা, দুখ-দুৰ্দশা নাৰায়ণী চৰিত্ৰটোৰ যোগেদি ফুটি উঠিছে । নাৰায়ণীয়ে কোম্পানীৰ ব্ৰাঙ্গত কাম কৰি জীৱন নিৰ্বাহ

কৰিছিল । তাতেই কোমল বয়সীয়া ইঞ্জিনিয়াৰ এজনৰ সৈতে সম্পৰ্ক গঢ়িছিল যদিও তাইৰ সপোন ছাৰখাৰ কৰি এদিন তেঁও ট্ৰেন্সফাৰ লৈ গুচি গ'ল। দুৰ্বিসহ হৈ নাৰায়ণীৰ সপোনবোৰ মৰহি গৈছিল । সমাজৰ প্ৰতাৰণাত তাই তিক্ত অভিজ্ঞতাৰে এজন হৰিজন শ্ৰমিক শিবু ধাছ্‌লাৰ সৈতে বিৱাহ পাশত আৱদ্ধ হয় । আন ছোৱালীৰ দৰে সপোন দেখা নাৰায়ণীৰ মনৰ সপোনবোৰ নিৰাশাত পৰিণত হয় এনেদৰে –

"…. অৱশেষত এনে এটা সময় আহিল যি সময়ত এই মোলায়েম চুলিৰ যত্ন লোৱাৰ ইচ্ছা আৰু তাইৰ নেথাকিল । বিভিন্ন ভংগীৰে কাপোৰ পিন্ধা হেঁপাহো তাইৰ আৰু নেথাকিল ।" [পৃ–৩৮]

হৰিজন শ্ৰমিক শিবু ধাছ্‌লা মদাহী আৰু বেমাৰী আছিল । ধৰ্মঘট চলি থকা সময়ত কেচুঁৱাক গাখীৰ খুওৱাৰ খৰছ আৰু বেমাৰী স্বামীৰ চিকিৎসাৰ বাবে নিজৰ দেহ বিক্ৰী কৰিবলৈও তাই কুণ্ঠাবোধ কৰা নাছিল । দেহ বিক্ৰী কৰোতে ধৰা পৰাত ইউনিয়নৰ মানুহক তাই প্ৰত্যুত্তৰ দিছিল এনেদৰে-

"ধাছ্‌লাৰ বেমাৰৰ সময়ত মই নিমখৰ বস্তাৰ দৰে পেটটো লৈ ঘূৰি ফুৰোতে তহঁতে মোক এটা পইচা দি সহায় কৰিছিলি নে? এতিয়া ধৰ্মঘট কৰি সিহঁতে পেটৰ ভাত মুঠি কাঢ়ি লোৱা নাই নে চালাহঁত … মোৰ খুচি মই ৰাণ্ডাগিৰী কৰি… " [পৃ–৪৭]

তাই সমাজৰ যন্ত্ৰণা সহিব নোৱাৰি দুৰ্বল মুহূৰ্তত আত্মহত্যা কৰি জীৱনৰ পৰা পলায়ন কৰাৰ মানসিকতাও হ'লেও সলনি কৰিছে । বিপৰীতে দুগুণ উৎসাহেৰে জীৱন যুঁজত অগ্ৰসৰ হ'বলৈ সংকল্পবদ্ধ হৈছে । নাৰায়ণীৰ বেয়া সময়ত হৰিজনৰ প্ৰতি ভাল ভাৱ থকা ইউনিয়নৰ লীডাৰ যশোৱন্তই তাইক যথেষ্ট বুজনি দিছিল আৰু তাইক সমৰ্থন কৰিছিল ।

উপন্যাসখনত নাৰায়ণীয়ে পৰিস্থিতিৰ বশৱৰ্তী হৈ যিকোনো কাম কৰিলেও নিজৰ স্বাভিমান কেতিয়াও হেৰুওৱা নাই । প্ৰকৃতাৰ্থত উপন্যাসখনত এই চৰিত্ৰটো আত্মভিমানী নাৰী সত্ত্বাৰ প্ৰতিনিধি । কিয়নো নাৰায়ণীয়ে তাইৰ যৌৱন কালৰ নায়ক ইঞ্জিনিয়াৰ চৌধুৰীয়ে প্ৰতাৰণা কৰি গুচি যোৱাৰ পাছত জীৱনত মধ্য বয়সত তেঁওক পুনৰ বাৰ কোম্পানীৰ ব্ৰাঞ্চত লগ পাইছিল । ইঞ্জিনিয়াৰ চৌধুৰীয়ে তেতিয়া টকাৰ টোপোলা এটা দি নাৰায়ণীক সহায় কৰিব বিছাৰিছিল । কিন্তু দৰিদ্ৰতাৰ কবলত কক্‌বকাই থাকিলেও নাৰায়ণীয়ে সেইয়া গ্ৰহণ নকৰিলে-

'চুপ থাক চাহাব, চুপ থাক. . . ।. . . অহ সেই বাবুল কাঁইটৰ আঁচোৰ. . . এতিয়াও যেন এই আঁচোৰৰ যন্ত্ৰণা…" [পৃ–৮৭]

উপন্যাসখনৰ শেষৰ ফালে নাৰায়ণীয়ে বিদ্ৰোহিনীৰ ৰূপ ধাৰণ কৰিছে । ধৰ্মঘট চলি থকাৰ সময়ত টকাৰ বাবে ঠাকুৰৰ ওচৰত দেহ বিক্ৰী কৰা নাৰায়ণীয়ে নিজ হাতেৰে ঠাকুৰক কুঠাৰেৰে হত্যা কৰিছিল । নাৰায়ণীৰ বিদ্ৰোহক বাধা দিবলৈ কোনেও সাহস কৰিব পৰা নাই । ঔপন্যাসিকাই নাৰায়ণীৰ বিদ্ৰোহিনী ৰূপৰ সুন্দৰ বৰ্ণনা এনেদৰে দিছে-

'নাৰায়ণীয়ে অগ্নি পুত্তলিকাৰ ৰূপ ধাৰণ কৰিছে… অগ্নি পুত্তলিকাৰ চুলি খুলি

পৰিল । তাই লৰি গৈ শিবু ধাছলাৰ হাতৰ পৰা কুঠাৰখন কাঢ়ি ল'লে । আৰু অগ্নি পুত্তলিকাই কুম্ভকৰ্ণৰ দৰে শুই থকা উলংগ চাহাবটিৰ মূৰত এটি প্ৰচণ্ড ঘাপ বহুৱাই দিলে ।... হাতত তেজেৰে ৰাঙলি কুঠাৰ, উন্মুক্ত চুলি । নাঙঠ দেহ// ভয়ংকৰ/ ভয়ংকৰ ৰূপ// [পৃ–১০০]

উপন্যাসখনত নাৰায়ণীক ধৰ্মঘটে কোঙা কৰি পেলোৱা, পেটৰ যন্ত্ৰণাত হিংস্ৰ হৈ পৰা শ্ৰমিক জীৱনৰ এটা বাস্তৱ প্ৰতীক বুলি ক'ব পাৰি ।

উপন্যাসখনৰ এটা পাৰ্শ্ব নাৰী চৰিত্ৰ হৈছে বসুমতী বুঢ়ী । এই চৰিত্ৰটোৰ যোগেদি ঔপন্যাসিকে শ্ৰমিক সমাজত নাৰীৰ স্থান সম্পৰ্কে দেখুওৱাৰ প্ৰয়াস কৰিছে । পাঁচজনী গাভৰু ছোৱালী আৰু এটা পুতেক ছুইপাৰ ভৃগুৰে সৈতে বসুমতীৰ পৰিয়াল । কাম কৰি থাকোতে ঠিকে আছিল, কৰিব নোৱাৰা হোৱাৰ পৰা ঘৰৰ মানুহে তাইক কুকুৰ মেকুৰীৰ দৰে ব্যৱহাৰ কৰিছিল । উদং দেহত শাৰীৰ শতচ্ছিন্ন মেৰিয়াই ভয়ংকৰ ৰূপ লৈ খাদ্যৰ সন্ধানত কুকুৰৰ বাবে দলিয়াই দিয়া খাদ্যকে কেতিয়াবা গ্ৰহণ কৰিছিল । বসুমতীয়ে নিজৰ পেট প্ৰৱৰ্তাবলৈ যিকোনো কাম কৰিছিল, যেনে- শ্ৰমিক সমাজত অবৈধভাৱে গৰ্ভধাৰণ কৰাসকলক বনৰীয়া দৰৱেৰে গৰ্ভপাত কৰাইছিল ।

জীৱনৰ তিক্ত অভিজ্ঞতাৰে পূৰ্ণ বসুমতী বুঢ়ীয়ে ধৰ্মঘটে কঢ়িয়াই অনা ভয়ংকৰ দুৰ্দশা আৰু ভণ্ড নেতাসকলৰ কথা জানিছিল । কাৰণ দীৰ্ঘদিন ধৰি ধৰ্মঘট কৰিও যে শ্ৰমিকসকল স্থায়ী বা পাৰ্মানেন্ট হ'ব পৰা নাছিল সেইয়া তেওঁ দেখি আহিছে । সেয়েহে বসুমতী বুঢ়ীয়ে অন্তৰৰ ক্ষোভ উজাৰি ধৰ্মঘটকাৰী শ্ৰমিকসকলৰ প্ৰতি এনেদৰে কৈছে-

"মূৰ্খহঁত আৰু কিমান দিনলৈ চলিব তহঁতৰ ধৰ্মঘট? গান্ধী মহাত্মাৰ দিনৰপৰা তহঁতৰ নাৰাবাজী [শ্লোগান] শুনি-শুনি মোৰ এই কাণ ঘূগুলা গৈ গ'ল । দুকুৰি ব্ৰাস্হত চাহাবতহঁৰ পায়খানা ধুই আহিছোঁ । কাম শেষ হ'লে সদায় চুৱনি কুকুৰৰ দৰে খেদা খাইছোঁ । আৰু সোমাইছোঁ আৰু খেদা খাইছোঁ । কোনো দিনটো পাৰমানেণ্ট হোৱা নাই ।" [পৃ–৬৭]

কামৰ অভাৱত এবাৰ বসুমতী বুঢ়ীয়ে মুন্সীগঞ্জৰ এগৰাকী গৰ্ভৱতী মহিলাক জৰা ফুকা কৰিছিল । গৰ্ভৱতী মহিলা গৰাকীৰ স্বামীয়ে টকাৰ অভাৱত এটা পানী খোৱা লোটা জৰা-ফুকা কৰাৰ মাননি হিচাপে দিছিল । মহিলা গৰাকীৰ মৃত্যু হৈছিল । এটা লোটাৰ বাবে মহিলা গৰাকীক হত্যা কৰা বুলি মহিলা গৰাকীৰ স্বামীয়ে বসুমতীক লোহাৰ চিপৰাঙেৰে আঘাত কৰিছিল । মৃতপায় অৱস্থাতহে বসুমতী বুঢ়ীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল ।

ওপৰত আলোচনা কৰা চৰিত্ৰ কেইটাৰ বাহিৰেও উপন্যাসখনত আৰু কিছুমান চৰিত্ৰ পোৱা যায় । যেনে- মুন্সীগঞ্জৰ গাঁওবুঢ়া, বলবীৰ, ব্ৰহ্মদেৱ, জগন্নাথ, একাউন্টেণ্ট কৃষ্ণস্বামী, মন্ত্ৰী ৰামবিলাস শৰ্মা, সাংবাদিকৰ দল ইত্যাদি । উপন্যাসখনৰ চৰিত্ৰসমূহ বাস্তৱ আৰু জীৱন্ত । সাই নদীৰ লগত চৰিত্ৰসমূহ ওত:প্ৰোতভাৱে

জড়িত । সেয়েহে ক'ব পাৰি যে ঔপন্যাসখনৰ চৰিত্ৰসমূহ চিত্ৰণৰ ক্ষেত্ৰত ঔপন্যাসিকৰ সুদক্ষতাৰ উমান পোৱা যায় ।

**উপসংহাৰ**

পৰিশেষত ক'ব পাৰি যে উপন্যাসখনৰ নাৰী চৰিত্ৰ কেইটাত নাৰী জীৱনৰ বেদনাৰ অনুচ্ছ সুৰ শুনা যায় । নাৰী জীৱনৰ প্ৰেম, যৌৱন, হতাশা, আশা-আকাংক্ষা, দৰিদ্ৰতা, জীৱন যন্ত্ৰণা, বিদ্ৰোহী নাৰী ইত্যাদি সকলো কথা নাৰায়ণী আৰু বসুমতী বুঢ়ী চৰিত্ৰ দুটাৰ যোগেদি উপন্যাসখনত সুন্দৰকৈ প্ৰকাশ পাইছে । উপন্যাসখনত অন্য কেইটামান নাৰী চৰিত্ৰৰ উল্লেখ পোৱা যায় । সেই কেইটা হ'ল মুন্সীগঞ্জৰ এগৰাকী গৰ্ভৱতী মহিলা, লিচু লেঙেৰাৰ ঘৈনীয়েক ইত্যাদি । অৱশ্যে এই চৰিত্ৰ কেইটাৰ বিশেষত্ব নাই, সেইবাবে উক্ত চৰিত্ৰ কেইটাৰ বিশেষ বিশ্লেষণ এই অধ্যয়নত কৰা হোৱা নাই । উপন্যাসখনত জীৱনক প্ৰত্যাহ্বান হিচাপে লোৱা নাৰায়ণীয়ে জীৱনৰ কোনোবা মুহূৰ্তত যন্ত্ৰণা দগ্ধ জীৱনটোক হত্যা কৰাৰ কথাও ভাবিছে । কিন্তু পিছ মুহূৰ্ততে জীৱন যুঁজত দৃঢ় সংকল্পৰে আগবাঢ়ি যোৱাৰ সাহসো দেখুৱাইছে । এইয়া ঔপন্যাসিকাৰ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ নাৰী মনৰ স্ফূৰণ বুলি ক'ব পাৰি । নাৰায়ণী চৰিত্ৰটোৰ যোগেদি নাৰীৰ সংবেদনশীল মনৰ পৰিচয়ো ঔপন্যাসিকে সুন্দৰকৈ দিয়াৰ প্ৰয়াস কৰিছে । মুঠতে ক'ব পাৰি যে উপন্যাসখনত নাৰায়ণী আৰু বসুমতী বুঢ়ী এই চৰিত্ৰ দুটাৰ জৰিয়তে নাৰীৰ জীৱন যন্ত্ৰণা, শ্ৰমিক জীৱন, নাৰীৰ জীৱন সংগ্ৰাম ইত্যাদি সকলো দিশৰ কথা সুন্দৰকৈ প্ৰকাশ পাইছে ।

মামণি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল' উপন্যাসখন নিঃসন্দেহে এখন শ্ৰেষ্ঠ উপন্যাস । বিষয়বস্তুৰ উপস্থাপন, পটভূমি নিৰ্মাণ, চৰিত্ৰ চিত্ৰণ ইত্যাদি দিশত উপন্যাসিকৰ সুকীয়া বৈশিষ্ট্য পোৱা যায় । অৱশ্যে এই অধ্যয়নত উপন্যাসখনত ভাষা ব্যৱহাৰৰ কৌশল, কলা-কৌশল ইত্যাদি দিশৰ কথা আলোচনা নকৰিলেও উপন্যাসখন অধ্যয়ন কৰি ঔপন্যাসিকৰ ভাষা ব্যৱহাৰৰ কৌশল, কলা-কৌশল ইত্যাদি দিশৰ নিজস্বতাৰ কথা উমান পোৱা যায় । গতিকে অসমীয়া তথা ভাৰতীয় সাহিত্যত ঔপন্যাসিক হিচাপে মামণি ৰয়ছম গোস্বামীৰ যে এটা বিশিষ্ট স্থান আছে তাত কোনো সন্দেহ নাই ।

**প্ৰসংগ-গ্ৰন্থ**

গোস্বামী, মামনি ৰয়ছম। মামৰে ধৰা তৰোৱাল। দশম সংস্কৰণ। গুৱাহাটীঃ চন্দ্ৰপকাশ, ২০১১। প্ৰকাশিত।

ঠাকুৰ, নগেন। এশ বছৰৰ অসমীয়া উপন্যাস।সম্পা.।দ্বিতীয় প্ৰকাশ। গুৱাহাটীঃ জ্যোতি প্ৰকাশন, ২০১২। প্ৰকাশিত।

দাস, অমল চন্দ্ৰ। অসমীয়া উপন্যাস পৰিক্ৰমা। সম্পা.।প্ৰথম প্ৰকাশ। গুৱাহাটীঃ বনলতা, ২০১২। প্ৰকাশিত।

দেৱী, জাহ্নৱী।উপন্যাস অধ্যয়ন। প্ৰথম প্ৰকাশ। গুৱাহাটীঃ জাগৰণ সাহিত্য প্ৰকাশন, ২০১৮। প্ৰকাশিত।

**যোগাযোগ সূত্ৰ:**

গৱেষক
আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়